RNI RI
Portal
e-mail

> **দিনটোৰ বাণী**
>
> জীৱনৰ মূল প্ৰতিপদ্য হ'ল— যিজন জয়ী হয়, তেওঁ পলায়নৰ পথ গ্ৰহণ নকৰে আৰু যিজন পলাতক, তেওঁ জীৱনত জয়ী হ'ব নোৱাৰে।
>
> — নৰ্মেন ভিনচেণ্ট পীল

# অসম আদিত্য

■ ষষ্ঠ বছৰ ■ সংখ্যা ৪৭ ■ ৬ ফাগুন, ১৯৪৫ শক ■ সোমবাৰ, ১৯ ফেব্ৰুৱাৰী, ২০২৪ ■ Asom Aditya, Dibrugarh, Monday, February 19, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ প

কুন্দুলি
যিয়ে
কৰে
কাৰ
কৰি

## সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত ভাৰতী দত্তৰ 'বিমৃশা-মঞ্জুষা', দিলীপ দত্তৰ 'ৰজনীগন্ধা' উন্মোচন




# গ্ৰন্থ সংৰক্ষণে একোটা জাতিৰ ইতিহাস সমৃদ্ধিশালী কৰে ঃ সাহিত্য সভাৰ সভাপতি সূৰ্য্যকান্ত হাজৰিকা

ষ্টাফ ৰিপৰ্টাৰ, ১৮ ফেব্ৰুৱাৰী ঃ 'গ্ৰন্থ সংৰক্ষণে একোটা জাতিৰ ইতিহাস সমৃদ্ধিশালী কৰে। জাতীয় জীৱনত গ্ৰন্থাগাৰৰ যিদৰে প্ৰয়োজন তেনেদৰেই গ্ৰন্থসমূহ উপযুক্ত সংৰক্ষণ কৰাৰো অতীৱ প্ৰয়োজন। এনে সংৰক্ষিত গ্ৰন্থসমূহৰ পৰাই একো একোটা জাতিৰ কলা, শিক্ষা, সাংস্কৃতিক দিশত অতীজতে কিমান সমৃদ্ধ আছিল তাক অনুধাৱন কৰাত সহজ হয়।'— অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্য্যকান্ত হাজৰিকাই আজি ডিব্ৰুগড় সাহিত্য সভাৰ দ্বাৰা আয়োজিত এক সম্বৰ্ধনা অনুষ্ঠানত এনদৰেই ভাষণত কয়। গায়ন-বায়ন, বিহু দল, মিচিং জনগোষ্ঠীয় নৃত্য, ঝুমইৰ দলৰ জৰিয়তে বিপুলভাৱে চৌকিডিঙ্গী আঞ্চলিক কাৰ্যালয়ৰ পৰা ডিব্ৰুগড় সাহিত্য সভালৈকে আদৰি নিয়াৰ পিছত অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্য্যকান্ত হাজৰিকাক বিপুলভাৱে ৬ পৃষ্ঠাত

# অসম আদিত্য

ফাগুন ১৯৪৫ শক ■ সোমবাৰ, ১৯ ফেব্ৰুৱাৰী, ২০২৪ ■ Asom Aditya, Dibrugarh, Monday, February 19, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

## চোৰাং অৰুণাচলী

আৰক্ষীয়ে এনএলটিপি এক্টৰ ৪৪ ধাৰাৰ /২০২৪ নম্বৰৰ এটা গোচৰ ৰুজু কৰি খন জব্দ কৰাৰ লগতে চালক সুভাষ গ্ৰাৰ কৰা বুলি প্ৰকাশ। উল্লেখ্য যে আমগুৰিৰ পৰা প্ৰতিদিনে নাগালেণ্ডলৈ আৰু ডাম্পাৰত বালি, ইটা, চিমেণ্টকে গ্ৰী সৰবৰাহ কৰা হয়। আনহাতে, ইটা চোৰাং সুৰাবেপাৰীয়ে এই নিৰ্মাণ গাপনে নাগালেণ্ডলৈ সুৰা সৰবৰাহ কৰি বিদিত। আমগুৰি আৰু হালোৱাটিং ৰেই সুৰাৰ চোৰাং বেপাৰীয়ে ৬১ নং ৰ হালোৱাটিং থানাৰ সন্মুখেৰে বিনা ৰা সৰবৰাহ কৰি আহিছে। এইক্ষেত্ৰত ৰাৰ চোৰাং বেপাৰীৰ গোপন বুজাবুজি নধৰণে সুৰা সৰবৰাহ কৰাটো কোনো নহয় সেয়া সহজেই অনুমেয়।

## আৰু এখন চহৰ

পেকেজক সন্মতি নজনোৱাৰ বাবে গুলী-বাৰুদ আৰু অস্ত্ৰ-শস্ত্ৰৰ অভাৱৰ য়াত পৰে। এনে পৰিস্থিতিৰ মাজত নিয়োজিত ইউক্ৰেইন সেনাৰ তৃতীয় লোকসকল ৰাছিয়াৰ স্থলবাহিনীৰ পৰে। জানিব পৰা মতে ব্ৰিগেডটোৰ ৰাছিয়াৰ সেনাৰ আক্ৰমণত মৃত্যুমুখত উক্ৰেইনৰ নতুন সেনাধ্যক্ষ জেনেৰেল কয়ে অৱদিয়ভকা চহৰত নিয়োজিত ক চহৰখন এৰি দিয়াৰ নিৰ্দেশ জাৰি ময়ত জাৰি কৰা এক বাৰ্তাত কয় যে— অৱদিয়ভকা চহৰত লোকসকলৰ বহুমূলীয়া জীৱনৰক্ষাৰ সিদ্ধান্ত গ্ৰহণ কৰে। অৱশ্যে সূত্ৰই ৰ অৱদিয়ভকা চহৰৰ উত্তৰ-পশ্চিম আৰু ৰাসায়নিক দ্ৰব্য উৎপাদন কৰা সম্পূৰ্ণৰূপে ৰাছিয়াৰ সেনাই দখল নাই।

## ৰ জননী

কৰিলোঁ, মই জিৰণি লোৱা উচিত। বাবে নহয়, 'ৰাষ্ট্ৰনীতি'ৰ বাবে কাম

# গ্ৰন্থ সংৰক্ষণে একোটা জাতিৰ ইতিহাস

সম্বৰ্ধনা জনোৱা হয়। ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল গোহাঁয়ে আঁত ধৰা তথা সভাপতি ড° শশীকান্ত শইকীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ফুলাম গামোচা, চেলেং চাদৰ, কপাহী চাদৰ, জাপি, স্মাৰক আৰু সম্বৰ্ধনা-পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। সভাপতি ড° সূৰ্য্যকান্ত হাজৰিকাই ভাষণত লগতে কয় যে যদিহে ব্ৰিটিছৰ দিনত অসমীয়া ভাষা, সংস্কৃতি, অভিধান, কলা, কৃষ্টিবোৰৰ গ্ৰন্থ আকাৰে প্ৰকাশ কৰাৰ পিছত সংৰক্ষণ নকৰিলেহেঁতেন, হয়তো তাহানি দিনৰ ভাষা-সংস্কৃতিৰ বিষয়ে অনুধাৱন আমি কেতিয়াও কৰিব নোৱাৰিলোঁহেঁতেন। তেওঁ লগতে বৰ্তমানৰ ডিজিটেল সাহিত্য চৰ্চা সন্দৰ্ভতো বক্তব্য প্ৰদান কৰে। তেওঁ অসম সাহিত্য সভাৰ পূৰ্বেই গঠিত হোৱা ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাৰ ইতিহাস ৰাইজৰ আগত বিৱৰি কয় যে ১৮৯৩ চনতেই গঠিত হোৱা ডিব্ৰুগড় সাহিত্য সভাৰ অসম সাহিত্য সভাত এক সুকীয়া মৰ্যাদা আছে। কেইবাজনো বৰেণ্য ব্যক্তি ইতিমধ্যে ডিব্ৰুগড় সাহিত্য সভাৰ পৰাই গৈ সৰ্ববৃহৎ জাতীয় অনুষ্ঠানটোৰ সভাপতিৰ আসন অলংকৃত কৰা বিষয়ে উল্লেখ কৰি ১৯৭৮ চনত ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰা বুলি কয়। ডিব্ৰুগড় সাহিত্য সভাৰ পৰাই তেওঁ অসম সাহিত্য সভাৰ মজিয়ালৈ গৈ অৱশেষত সভাপতি হোৱাৰ সুযোগ লাভ কৰা বুলি কয়। অনুষ্ঠানতে ডিব্ৰুগড় সাহিত্য সভাই প্ৰকাশ কৰা তথা বিজু শৰ্মাৰ দ্বাৰা সম্পাদিত বিশিষ্ট লেখিকা ড° ভাৰতী দত্তৰ গ্ৰন্থ 'বিমৃশা-মঞ্জুষা' আৰু এগৰাকী শাৰীৰিকভাৱে সক্ষম লেখক দিলীপ দত্তৰ ষষ্ঠখন গ্ৰন্থ 'ৰজনীগন্ধা' উন্মোচন কৰে অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্য্যকান্ত হাজৰিকাই। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে চেটেলাইট নিউজ চেনেল 'এনডি-২৪'ৰ পৰিচালন সঞ্চালক কিশোৰ বৰা। বৰাই ভাষণত ডিব্ৰুগড় সাহিত্য সভাক তেওঁৰ প্ৰয়াত পিতৃ থানেশ্বৰ বৰাই দি যোৱা অৱদানৰ বিষয়ে স্মৰণ কৰি শৈশৱ অৱস্থাৰ পৰাই ডিব্ৰুগড় সাহিত্য সভাৰ জৰিয়তে বিশিষ্ট ব্যক্তিসকলৰ সান্নিধ্যৰ কথা উল্লেখ কৰে। উল্লেখ্য যে কিশোৰ বৰাৰ পিতৃৰ স্মৰণত ইতিমধ্যে ডিব্ৰুগড় সাহিত্য সভাৰ এটা অতিথিশালা নামকৰণ কৰে। আনহাতে, আজি উপস্থিত থকা কিশোৰ বৰাই ডিব্ৰুগড় সাহিত্য সভাৰ লক্ষ্মীনাথ বেজবৰুৱা ভৱনটো অত্যাধুনিকভাৱে পুনৰ নিৰ্মাণ কৰি দিব বুলি আশ্বাস প্ৰদান কৰে। সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ লক্ষ্মীনাথ বেজবৰুৱা আসনৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা, বিশিষ্ট লেখিকা ড° কৰবী ডেকা হাজৰিকা, অসম সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিকৰ সম্পাদক ভুৱন মোহন গোস্বামী, ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি বিভাস দুৱৰা, ড° ভাৰতী দত্ত, দিলীপ দত্ত, উপস্থিত থাকে। তদুপৰি অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক উদয়ন কুমাৰ গগৈ, দিগন্ত কাকতি, টাইপাৰ সভাপতি ৰাণা ৰঞ্জন গগৈ, কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ দিগন্ত শইকীয়া, মেচ কছাৰি জাতীয় পৰিষদৰ মনোজ কছাৰী, মটক যুৱ-ছাত্ৰ সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ প্ৰশান্ত চেতিয়া, বিমান বৰা, নগৰ সমিতিৰ দিগন্ত গগৈ, মটক যুৱ-ছাত্ৰ পৰিষদৰ জিলা সম্পাদক বিতোপন দুৱৰা, ডিব্ৰুগড় লায়ঞ্চ ক্লাব, জেউতি আলয় স্বেচ্ছাসেৱী অনুষ্ঠানৰ ৰূপামণি গগৈ, নিজৰা গগৈ, বৃহত্তৰ ডিব্ৰুগড় নগৰ আঞ্চলিক বিহু সুৰক্ষা সমিতিৰ বিতুমণি ফুকন, চন্দনা শৰ্মা, মহীয়সী সেউজী সাহিত্য মঞ্চৰ দীপিকা গগৈ, দীপিকা বৰা, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ হৈ হিৰণ্য কৌশিক বৰা, সখীয়া মহিলা মঞ্চৰ কবিতা শৰ্মা, অগ্ৰগামী মহিলা সন্মিলনৰ জোনালী খাউণ্ড, মানসী বৰুৱা, ডিব্ৰুগড় মহিলা সাহিত্য কাননৰ প্ৰণতি দত্ত, ড° ইভা হাজৰিকা, উজ্জ্বল হাজৰিকা, লতা হাজৰিকা, প্ৰসেনজিৎ গোস্বামী, চেহিৰ আহমেদ, অনিল দুৱৰা, জ্যোতি বৰগোহাঁই আদি উপস্থিত থকাৰ লগতে লেখক ক্ষীৰোদ ফুকন, লেখিকা অৰ্পণা ফুকন দাস আৰু লেখক গৌৰৱ দাসে গ্ৰন্থৰ টোপোলাৰে আৰু উদীয়মান শিল্পী জিমি জিজ্ঞাসা বৰুৱাসহ শতাধিক সংগঠনে ড° সূৰ্য্যকান্ত হাজৰিকাক সম্বৰ্ধনা জনায়। অনুষ্ঠানত ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা বৰ্তমান অসম সাহিত্য সভাৰ আলোচনা 'সাহিত্য সভা সংবাদৰ' সম্পাদক গৌতম গগৈয়ে ডিব্ৰুগড় সাহিত্য সভালৈ অসম সাহিত্য সভাৰ বৰেণ্য সভাপতিসকলৰ তালিকাসম্বলিত এখন বৃহৎ ফটো প্ৰদান কৰে। আনহাতে, প্ৰায় চাৰিশতাধিক লোক উপস্থিত থকা গাম্ভীৰ্যপূৰ্ণ সভাখনত নৃত্যাংগণ কলা কেন্দ্ৰৰ ছাত্ৰীসকলে নৃত্য গুৰু ৰুবী গগৈ সন্দিকৈ পৰিচালনাত 'জোন জোন জোনাকী পৰুৱা' শীৰ্ষক গীতটি আৰু 'চ্যুকাফা' শীৰ্ষক গীতত দুটিকৈ দলীয় নৃত্য পৰিৱেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। আনহাতে, সভাৰ আৰম্ভণিতে ড° চুমী ফুকনৰ নেতৃত্বত ডিব্ৰুগড় সাহিত্য সভা আৰু সখীয়া মহিলা মঞ্চ সদস্যাসকলে 'চিৰ চেনেহী মোৰ ভাষা জননী' গীত পৰিৱেশন কৰাৰ লগতে সামৰণিত জাতীয় সংগীত পৰিৱেশন কৰে।

## ন গোহাঁই, ৰাজে ছৈয়দ ছাদুল্লালৈ

চীকিডিঙ্গী খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া কেন্দ্ৰীয় ৰঙালী উৎসৱত চাৰি বিশিষ্ট শিল্পীলৈ াগবঢ়াব 'ডিব্ৰু সন্মান'। আজি ডিব্ৰুগড় চহৰৰ না চাৰিআলিস্থিত হোটেল গাৰ্ডেন ট্ৰীটত

অনুষ্ঠি কৰিছে সভাপ সভাত

## ৰক্ষা কৰাটো প্ৰতিগৰাকী কা

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মো

## ষ্টাচাৰৰ

